# মনোবল
## (Morale)

আলেকজেণ্ডাৰ লেইঘ্‌টন (Alexander Leighton)-এ লোক প্ৰশাসনৰ পৰিপ্ৰেক্ষিতত 'মনোবল'ৰ এটা সংজ্ঞা দাঙি ধৰিছে। তেওঁৰ মতে সামূহিক উদ্দেশ্য সাধনৰ বাবে অবিৰত আৰু দৃঢ়তাৰে একেলগে প্ৰচেষ্টা চলাব পৰা কোনো জনসমষ্টিৰ সামৰ্থ্যক 'মনোবল' আখ্যা দিব পাৰি ('Morale may be defined as 'the capacity of a group of people to pull together persistently and consistently in

Scanned by CamScanner

pursuit of a common goal')।

মনোবল বুলি কওঁতে ব্যক্তিৰ মনোবল আৰু জনসমষ্টিৰ মনোবল দুয়োটাকে বুজায়। ব্যক্তিৰ ক্ষেত্ৰত দেখা যায়, বিশেষ স্থান লাভ, সন্মান আৰু ব্যক্তিগত শক্তি, কৃতকাৰ্য বুলি ঘোষিত বা সন্মানিত হোৱাৰ অধিকাৰ আৰু ব্যক্তিত্ব বিকাশৰ সুযোগ লাভে ব্যক্তিৰ মনোবল গঢ়ি উঠাত সহায় কৰে। জনসমষ্টিৰ ক্ষেত্ৰত, মানৱীয় সম্পৰ্ক, সংগঠনৰ পৰিবেশৰ সৈতে খাপ খাব পৰা সামৰ্থ্য, কৰ্মচাৰীসকলৰ আচৰণ আৰু দৃষ্টিভঙ্গী, সাংগঠনিক কাৰ্যত অংশগ্ৰহণৰ সুযোগ, প্ৰতিজন সদস্যৰ ওপৰত গুৰুত্ব আৰোপ অথবা কোনো ব্যক্তিক নিঃসঙ্গ হৈ নপৰাকৈ সামৰি ল'ব পৰা ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত দলীয় মনোবল গঢ়ি উঠে।

মানুহে কেৱল খাই-বৈয়ে জীয়াই থাকিব নিবিচাৰে। কৰ্মত ব্ৰতী হোৱাৰ বাবে মনোবল আহৰণ কৰাত 'সন্মান'য়েও যথেষ্ট অৰিহণা যোগায়।

চৰকাৰ হ'ল এক মানৱীয় অনুষ্ঠান। এই অনুষ্ঠান কেৱল আনুষ্ঠানিক ব্যৱস্থাৱলী, কৌশল আৰু নীতিৰ ওপৰতে তিষ্ঠি থাকিব নোৱাৰে, দৃষ্টিভঙ্গী, উৎসাহ আৰু দায়বদ্ধতাৰ ওপৰতহে চৰকাৰ অধিক নিৰ্ভৰশীল বুলি ক'ব পাৰি। মনোবল আৰু মানৱীয় দিশটো চৰকাৰী কাৰ্য আৰু দায়িত্বৰ আন এটা দিশ বুলি ক'ব পাৰি। গতিকে প্ৰশাসক বা প্ৰশাসনৰ সৈতে জড়িত প্ৰতিজন ব্যক্তিক প্ৰয়োজন অনুসৰি প্ৰশংসা, কৰ্মৰ স্বীকৃতি আদিৰ সহায়ত উৎফুল্লিত কৰি ৰাখিব লাগে। আনন্দ মনেৰে কাৰ্যত ব্ৰতী হ'ব নোৱাৰিলে কামৰ মানদণ্ড হ্ৰাস পোৱাটো স্বাভাৱিক।

বৃটিছ অসামৰিক সেৱাৰ প্ৰতি লক্ষ্য ৰাখিলে দেখা যায় সাধুতা আৰু কৰ্তব্য-পৰায়ণতাৰ পৰম্পৰাই লোক সেৱকসকলৰ মনোবল দৃঢ় কৰি তোলে। এল.ডি. হোৱাইটৰ মতে সুস্থ নিয়োগ পৰিস্থিতি আৰু দক্ষ সংগঠনৰ মনোবলেই হ'ল এক নিদৰ্শন। মনোবলে এনে এক সামাজিক আৰু মানসিক পৰিস্থিতি প্ৰতিফলিত কৰে য'ত পুৰুষ-মহিলা উভয়ে আত্মবিকাশ, নিজৰ কৰ্তব্য পালনৰ প্ৰতি স্পৃহা জগাই তুলিবলৈ সক্ষম হয় আৰু কৰ্মত কৃতকাৰ্যতা লাভ কৰি গৌৰৱ অনুভৱ কৰাৰ সুযোগ পায়। মনোবলে কৰ্মচাৰীৰ মনত কৰ্মস্পৃহা জগাই তোলাৰ উপৰিও নিজৰ এলেকাত কৰ্তব্যৰ মানদণ্ড অধিক উন্নীত কৰাৰ প্ৰতিও আগ্ৰহশীল হৈ পৰে। উদ্দেশ্যত উপনীত হ'বলৈ ই মানুহক শক্তি আৰু সাহস যোগায়। ই কৰ্মচাৰীসকলৰ মনৰ পৰা উদাসীনতা আঁতৰায়।

**লোকসেৱাত মনোবল কেনেকৈ গঢ়ি তুলিব পাৰি? (How to build up Morale in Public Service?) :**

মনোবল বুলি কওঁতে বৌদ্ধিক আৰু আৱেগিক—এই দুয়োবিধ গুণকে বুজায়। গতিকে মনোবল গঢ়ি তুলিবলৈ হ'লে এজন ব্যক্তিক এইকেইটা দিশত গুৰুত্ব দিয়াৰ

Scanned by CamScanner

প্ৰয়োজন। বৌদ্ধিক দিশটোৱে তথ্য, বুজা-বুজি আৰু যোগাযোগ ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন। বৌদ্ধিক দিশটোৱে তথ্য, বুজা-বুজি আৰু যোগাযোগ ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কিয়নো ইয়াৰ দ্বাৰা পৰিকল্পনা, তত্ত্বাৱধান, নিযুক্তি আদিত কৃতকাৰ্যতাৰে কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰিব পাৰে।

আৱেগিক দিশটোৱে সুস্থ নেতৃত্ব, একতাৰ ভাব আদি জগাই তোলে। মানৱীয় আচৰণৰ ওপৰত সম্পূৰ্ণ কৰা সকলো ধৰণৰ গৱেষণাৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে যি ব্যক্তিয়ে দলৰ সামূহিক উদ্দেশ্য আৰু কাৰ্য হৃদয়ঙ্গম কৰিব পাৰে সেই ব্যক্তিজনেহে আন্তৰিকতা আৰু দায়বদ্ধতাৰে অবিৰতভাৱে কৰ্মত ব্ৰতী হৈ পৰিব পাৰে। গতিকে প্ৰশাসনৰ কৰ্ম-চৰ্ত নিৰ্ধাৰণ, কৰ্ম-আঁচনি প্ৰস্তুত, কৰ্ম মূল্যায়ন আদি কাৰ্যত অৰ্হতা আৰু প্ৰয়োজন অনুসৰি কৰ্মচাৰীসকলক অংশগ্ৰহণৰ সুযোগ দিব লাগে। বিশেষ অসুবিধাৰ বাবে তেওঁলোকক তেনে কাৰ্যত অংশগ্ৰহণৰ সুবিধা দিঁব নোৱাৰিলে আঁচনিৰ উদ্দেশ্য, প্ৰকৃতি আদিৰ বিষয়ে অৱগত কৰিব লাগে।

সংগঠনৰ স্বাৰ্থত যাতে কৰ্মচাৰীসকলৰ মাজত সুসম্পৰ্ক গঢ়ি উঠে আৰু তেওঁলোকৰ মনত যাতে ঐক্যভাৱৰ উদয় হয় তাৰ বাবে যথাসাধ্য চেষ্টা কৰা উচিত। বিভাগীয় স্বাৰ্থ পূৰণে যাতে প্ৰতিজন কৰ্মচাৰীক গৌৰৱান্বিত কৰি তুলিব পাৰে তাৰ প্ৰতিও চোকা দৃষ্টি ৰখাৰ অতি প্ৰয়োজন হয়। গণতন্ত্ৰত কৰ্মচাৰীসকলৰ ব্যক্তিগত অধিকাৰ ৰক্ষা আৰু স্বাৰ্থ পূৰণৰ বাবেও ৰাষ্ট্ৰীয় প্ৰশাসনে চেষ্টা চলায়। আধুনিক কল্যাণকামী ৰাষ্ট্ৰৰ অন্যতম বৈশিষ্ট্য হ'ল যে প্ৰতিটো জাতি বা জনগোষ্ঠীৰ নিজস্ব কিছুমান মৌলিক লক্ষ্য আৰু সাংস্কৃতিক মূল্যবোধ থাকে আৰু এনে উদ্দেশ্য সাধন আৰু সংস্কৃতি ৰক্ষাৰ বাবে জাতি বা জনগোষ্ঠীসমূহে ৰাষ্ট্ৰীয় প্ৰশাসনৰ ওপৰত নিৰ্ভৰ কৰে। এনে পৰিস্থিতিত ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণত লোক প্ৰশাসকে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

কৰ্মচাৰীসকলৰ মনোবল দৃঢ় কৰি তুলিব পাৰিলে লোক প্ৰশাসনক এক ফলপ্ৰদ সামূহিক প্ৰচেষ্টালৈ ৰূপাৰিস্তত কৰিব পাৰি, য'ত 'অধিক্ৰম' আৰু 'আদেশৰ ঐক্য' আদি পৌৰাণিক প্ৰশাসনীয় নীতিৰ স্থান 'সহযোগ' আৰু 'অংশীদাৰ' নীতিয়ে পূৰণ কৰিব। ইয়াৰ দ্বাৰা বিভাগীয় মুৰব্বী বা তত্ত্বাৱধায়কৰ গুৰুত্ব হ্ৰাস নহয়, বৰং তেওঁলোকৰ নেতৃত্ব অধিক ফলপ্ৰদ হৈহে পৰিব। গতিকে তত্ত্বাৱধায়কসকলে মানৱীয় মনোভাৱেৰে সহকৰ্মী তথা অধীনস্থ বিষয়াসকলৰ বিশ্বাস আদায় কৰি নিপুণ আৰু কৌশলগতভাৱে তেওঁলোকক জনমুখী কৰি তোলাৰ উপৰিও সমাজৰ প্ৰতি দায়বদ্ধশীল হ'বলৈ মনোবল যোগাব পাৰিব।

কৰ্মচাৰীৰ মনোবল গঢ়ি তোলাৰ আন এটা উপায় হ'ল প্ৰশাসনীয় নেতৃত্ব। মুৰব্বীয়ে নিজকে সৎ আৰু সুকৰ্মী বুলি প্ৰতিষ্ঠা কৰিব পাৰিলে কৰ্মীবৃন্দৰ বাবে এক আদৰ্শ হৈ পৰে আৰু এই আদৰ্শৰ প্ৰভাৱ তেওঁলোকৰ কৰ্ম-জীৱনত গভীৰভাৱে পৰে। ফলস্বৰূপে কৰ্মচাৰীসকলে আন্তৰিকতাৰে কৰ্মত আত্মনিয়োগ কৰিবলৈ আগবাঢ়ি আহে।

Scanned by CamScanner

কৰ্মচাৰীসকলৰ মনোবল বৃদ্ধিৰ আন এটা উপায় হৈছে, কৰ্মচাৰীসকলৰ দ্বাৰা সম্পাদিত কামৰ ওপৰত গুৰুত্ব আৰোপ কৰা আৰু এই সম্বন্ধে সংশ্লিষ্ট কৰ্মচাৰীক উপলব্ধি কৰিবলৈ সুবিধা দিয়া। কেৱল জীৱিকা নিৰ্বাহৰ বাবে কৰিব লগীয়া হ'লে কোনো কৰ্মই ব্যক্তিসকলক সদায়েই কৰ্মৰ প্ৰতি আগ্ৰহশীল কৰি ৰাখিব নোৱাৰে। ফলস্বৰূপে তেওঁলোকৰ কৰ্মদক্ষতা হ্ৰাস হৈ পৰাৰ সম্ভাৱনা থাকে। কিয়নো কোনো কৰ্মক জীৱনৰ উদ্দেশ্যৰূপে গণ্য কৰিব পাৰিলেহে কৰ্মৰ প্ৰতি স্পৃহা বৃদ্ধি হয়।

বিভাগীয় মুৰব্বীৰ সততা আৰু সৎ উদ্দেশ্যৰ ওপৰত গঢ়ি উঠা বিশ্বাসে কৰ্মচাৰীসকলৰ মানসিক শক্তি বৃদ্ধি কৰিব পাৰে। দুৰ্নীতিপৰায়ণ মুৰব্বী বা অভিভাৱকে কৰ্মচাৰীৰ মনত বিশৃঙ্খলা বা বেমেজালিৰ সৃষ্টি কৰি তেওঁলোকক মানসিকভাৱে দুৰ্বল কৰি তোলে। মুঠতে ক'ব পাৰি যে মুৰব্বীৰ সাধুতা আৰু কৰ্মদক্ষতাই সংগঠনৰ সন্মান বৃদ্ধি কৰে আৰু তেনে অনুষ্ঠানত প্ৰতিজন কৰ্মীয়েই কৰ্তব্যপালন কৰিবলৈ অনুপ্ৰেৰণা পায়। কৰ্তব্যৰ প্ৰতি থকা আগ্ৰহশীলতাই ব্যক্তিৰ মনোবল বৃদ্ধি কৰে।

কৰ্মচাৰী প্ৰশাসনৰ নীতিয়েও তেওঁলোকৰ মনোবলৰ ওপৰত প্ৰভাৱ পেলায়। ভাৰতবৰ্ষত বৰ্তমান প্ৰবেশনৰ দায়িত্বত থকা লোকসেৱা আয়োগ, পদোন্নতি, দৰ্মহা নিৰ্ধাৰণ, প্ৰশিক্ষণ, অৱসৰ পদ্ধতি আদি প্ৰায়ে সমালোচনাৰ সন্মুখীন হোৱা দেখা যায়। ইয়াৰ ফলত কৰ্মচাৰীসকলৰ মনোবলত যথেষ্ট ব্যাঘাত জন্মা পৰিলক্ষিত হয়। অৰ্হতাসম্পন্ন ব্যক্তিৰ নিযুক্তিয়ে প্ৰশাসনিক দক্ষতা বৃদ্ধি কৰে। তাৰোপৰি তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ বাবে ব্যৱস্থা কৰিব লাগে। যাতে কৰ্মচাৰীসকলৰ ব্যক্তিত্বৰ বিকাশ সাধন হয়।

Scanned by CamScanner